# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-11-2024
**Time :** 1340 hrs

## *Assamese Midday Bulletin*
## *Headlines*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা চমকপ্ৰদ সাফল্যৰ বাবে উত্তৰাখণ্ডক প্ৰশংসা কৰিছে। ২৫ সংখ্যক উত্তৰাখণ্ড ৰাজ্য দিৱস উপলক্ষে দিয়া বাৰ্তাত শ্ৰীমোদীয়ে কয় যে আজিৰ দিনটোৱে ৰাজ্যখনৰ ৰূপালী জয়ন্তী উদযাপনৰ আৰম্ভণি কৰিলে।

২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰাখণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জনাইছে।

৩। প্ৰধানমন্ত্ৰীয়ে কয় যে ৰতন টাটাই পৃথিৱী এৰি যোৱা এমাহ পাৰ হৈ গ'ল, কিন্তু দেশৰ লগতে সমগ্ৰ বিশ্বৰ সমাজৰ প্ৰতিটো ক্ষেত্ৰতে তেওঁৰ অনুপস্থিতি অনুভৱ হৈ আছে।

৪। পাকিস্তানৰ বেলুচিস্তানৰ কুৱেট্টা ৰেল ষ্টেচনৰ সমীপত হোৱা এটা বিস্ফোৰণত কমেও ২৪জন লোক নিহত আৰু ৪০জনৰো অধিক লোক আহত হৈছে। ***আৰু***

৫। কাটাৰৰ দোহাত চলি থকা আই বি এছ এফ বিশ্ব বিলিয়াৰ্ড প্ৰতিযোগিতাত ভাৰতৰ পংকজ আদৱানিয়ে ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা চমকপ্ৰদ সাফল্যৰ বাবে উত্তৰাখণ্ডক প্ৰশংসা কৰিছে। ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত নেতৃত্ব ল'বলৈ সমৰ্থ হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ২৫ সংখ্যক উত্তৰাখণ্ড ৰাজ্য দিৱস উপলক্ষে ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া বাৰ্তাত শ্ৰীমোদীয়ে কয় যে আজিৰ দিনটোৱে ৰাজ্যখনৰ ৰূপালী জয়ন্তী উদযাপনৰ আৰম্ভণি কৰিলে। প্ৰধানমন্ত্ৰীয়ে কয় যে উত্তৰাখণ্ডবাসীয়ে ৰাজ্যখনৰ উজ্জ্বল ভৱিষ্যতৰ বাবে অহা ২৫ বছৰৰ যাত্ৰা আৰম্ভ কৰিব লাগিব। তেওঁ লগতে অনাগত ২৫ বছৰত বিকশিত ভাৰতৰ বাবে বিকশিত উত্তৰাখণ্ডৰ প্ৰতিশ্ৰুতি পূৰণৰ সংকল্পও দোহাৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত কোনো ধৰণৰ কাৰ্পণ্য নকৰে।

উত্তৰাখণ্ডই নতুন ধাৰা আৰু মানৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে আঙুলিয়াই দিয়ে যে ৰাজ্যখনে ২০২৩-২৪ বৰ্ষৰ বহনক্ষম বিকাশৰ লক্ষ্যৰ ভাৰত সূচকাংকৰ তালিকাত শীৰ্ষস্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে বিগত ডেৰ-দুই বছৰত উত্তৰাখণ্ডৰ মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ ১ দশমিক ২-৫ গুণৰো অধিক হৈছে। চলিত বৰ্ষত সামগ্ৰী আৰু সেৱা কৰ সংগ্ৰহ প্ৰায় ১৪ শতাংশলৈ বৃদ্ধি হৈছে বুলি উল্লেখ কৰি প্ৰধামন্ত্ৰীয়ে কয় যে ২০১৪ চনত উত্তৰাখণ্ডৰ জনমূৰি আয় বছৰি প্ৰায় ১ লাখ ২৫ হাজাৰ টকা আছিল, কিন্তু বৰ্তমান এই পৰিমাণ প্ৰায় ২ লাখ ৬০ হাজাৰ টকা হৈছে। উত্তৰাখণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে তেওঁ ৰাজ্যবাসীক অভিনন্দন জ্ঞাপন কৰে।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে উত্তৰাখণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীধনখড়ে কয় যে হিমালয়ৰ শুভ্ৰ শৃংগৰ পৰা আৰম্ভ কৰি গংগাৰ পৱিত্ৰ অৱবাহিকালৈকে জুৰি থকা দেৱভূমি উত্তৰাখণ্ড স্বৰ্গীয় সৌন্দৰ্য আৰু আধ্যাত্মিক পৰম্পৰাৰে উজলি আছিছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যখন প্ৰগতি আৰু বিকাশৰ দিশত অধিক আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে উত্তৰাখণ্ড ৰাজ্য প্ৰতিষ্ঠা দিৱসত ৰাজ্যখনৰ বাসিন্দাসকললৈ শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীশ্বাহে উত্তৰাখণ্ডক প্ৰাকৃতিক সৌন্দৰ্য আৰু বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যৰ আঁকৰ হিচাপে বৰ্ণনা কৰে। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ ধৰ্মীয় বিশ্বাস, সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্যৰ বাবে বাবা কেডাৰনাথক কৃতজ্ঞতা জনায়। শ্ৰীশ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পথ প্ৰদৰ্শন আৰু মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিৰ নেতৃত্বত ৰাজ্যখন প্ৰগতি আৰু সমৃদ্ধিৰ শিখৰত উপনীত হ'ব পাৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সঁচা নেতৃত্ব কেৱল এগৰাকী ব্যক্তিৰ কৃতিত্বৰ জৰিয়তে নহয়, বৰঞ্চ সমাজৰ অতি দুৰ্বল শ্ৰেণীৰ প্ৰতি ব্যক্তিগৰাকীয়ে আগবঢ়োৱা সেৱাৰ মনোভাবৰ জৰিয়তেহে প্ৰতিফলিত হয় আৰু এই প্ৰেৰণা বিশিষ্ট উদ্যোগপতি তথা জনহিতৈষী ৰতন টাটাৰ জীৱনৰ পৰা লাভ কৰিব পাৰি। এখন ৰাষ্ট্ৰীয় দৈনিক কাকতৰ এটা লেখাত শ্ৰীমোদীয়ে কয় যে ৰতন টাটাই পৃথিৱী এৰি যোৱা এমাহ পাৰ হৈ গ'ল, কিন্তু দেশৰ লগতে সমগ্ৰ বিশ্বৰ সমাজৰ প্ৰতিটো ক্ষেত্ৰতে তেওঁৰ অনুপস্থিতি অনুভৱ হৈ আছে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ৰতন টাটাই যিসকল লোকৰ বাবে কাম কৰিছিল আৰু সপোন দেখিছিল সেইসকলৰ স্মৃতিত তেওঁ সদায় জীয়াই থাকিব। তেওঁ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ উদ্যোগপতিগৰাকীয়ে আগবঢ়াই যোৱা অৱদানত আলোকপাত কৰে। প্ৰধানমন্ত্ৰীয়ে দুবছৰ পূৰ্বে অসমত এটা অনুষ্ঠানত ৰতন টাটাৰ সৈতে যুটীয়াভাৱে কেইবাখনো কেন্সাৰ চিকিৎসালয় উদ্বোধন কৰাৰ কথাও সোঁৱৰণ কৰে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে কালি গুৱাহাটীত ৮ দিনীয়া পূৰ্বোত্তৰ আদি মহোৎসৱ মুকলি কৰে। এই উপলক্ষে শ্ৰীঅ'ৰামে কয় যে, কেন্দ্ৰীয় চৰকাৰে জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ দ্ৰুত উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ কয় যে, জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ক নতুন ৰূপ দিয়া হৈছে আৰু মন্ত্ৰালয়ৰ বাবে বাজেটত আবণ্টিত ধন বৃদ্ধি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, চলিত বৰ্ষত জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে ৩ লাখ ৫০ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব আৰু জনজাতি বসতি প্ৰধান অঞ্চলত ২৫ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অহা ১৫ নৱেম্বৰত সমগ্ৰ ৰাষ্ট্ৰত জনজাতি গৌৰৱ দিৱস উদযাপন কৰা হ'ব বুলি ঘোষণা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিহাৰৰ জামুইত হ'বলগীয়া এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত  উপস্থিত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে।

00000

পাকিস্তানৰ বেলুচিস্তানৰ কুৱেট্টা ৰেল ষ্টেচনৰ সমীপত হোৱা এটা বিস্ফোৰণত কমেও ২৪জন লোক নিহত আৰু ৪০জনৰো অধিক লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। বিস্ফোৰণটো সংঘটিত হোৱাৰ সময়ত পেছোৱাৰ অভিমুখী এখন যাত্ৰীবাহী ৰেলগাড়ীয়ে প্লেটফৰ্ম এৰিবলৈ সাজু হৈছিল। ঘটনাস্থলীত আৰক্ষী আৰু উদ্ধাৰকাৰী বাহিনীয়ে উদ্ধাৰ অভিযান চলাই আছে।

00000

উত্তৰ প্ৰদেশৰ ফিৰোজাবাদ জিলাত হোৱা এটা বাছ দুৰ্ঘটনাত আজি কমেও পাঁচজন লোকৰ মৃত্যু হয়। এই দুৰ্ঘটনাত আন কেইবাজনো লোক আহত হয়। জিলাখনৰ আৰক্ষী অধীক্ষকে জনোৱা অনুসৰি মথুৰাৰ পৰা লক্ষ্ণৌলৈ আগ্ৰা-লক্ষ্ণৌ এক্সপ্ৰেছৱে'ৰে আহি থকা এখন যাত্ৰীবাহী বাছে থানা নাছিৰপুৰৰ সমীপত এখন ৰখাই থোৱা গাড়ীত খুন্দা মৰাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয়। আৰক্ষীয়ে আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰাইছে।

00000

গুৱাহাটীৰ পাঞ্জাবাৰীত থকা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দিৱস উপলক্ষে আজি আৰু কাইলৈ অনুষ্ঠানটোৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱা কলাক্ষেত্ৰৰ কীৰ্তন ঘৰত নাম প্ৰসংগ আৰু আয়তীসকলৰ দিহা নামেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছত পুৱা চাৰে ১০ বজাত পতাকা উত্তোলন কৰা হয়। আনহাতে, **বৰ্ণালী** শীৰ্ষক এটা লোকনৃত্য-গীতৰ বৰ্ণাঢ্য অনুষ্ঠান বাৰেৰহণীয়া অনুষ্ঠান পৰিবেশন কৰা হয়। সন্ধিয়া চাৰে ছয় বজাত হাস্যব্যংগ নাটকৰ অনুষ্ঠান বাগাড়ম্বৰ অনুষ্ঠিত হ'ব।

00000

কাটাৰৰ ড'হাত চলি থকা আই বি এছ্ এফ বিশ্ব বিলিয়াৰ্ড প্ৰতিযোগিতাত ভাৰতৰ পংকজ আদৱানিয়ে ফাইনেলত প্ৰবেশ কৰিছে। তেওঁ কালি ছেমি ফাইনেলত সৌৰভ কোঠাৰীক ৪-২ৰ ব্যৱধানত পৰাস্ত কৰে। ফাইনেলত ২৭ বাৰৰ বিশ্ব চেম্পিয়ন পংকজ আদৱানিয়ে ইংলেণ্ডৰ ৰবাৰ্ট হলৰ বিৰুদ্ধে খেলিব। ইংলেণ্ডৰ খেলুৱৈগৰাকীয়ে ছেমি ফাইনেলত ছিংগাপুৰৰ পিটাৰ গিলখ্ৰীষ্টক ৪-১ৰ ব্যৱধানত পৰাস্ত কৰিছিল।

00000

দক্ষিণ কোৰিয়াৰ ইক্ছানত চলি থকা কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত ভাৰতৰ কিৰণ জৰ্জ থাইলেণ্ডৰ কুনলাৱুট ৱিটিডছাৰ্নৰ বিৰুদ্ধে ১২-২১, ২০-২২ গেমত পৰাস্ত হয়। ইয়াৰ পূৰ্বে কালি কোৱাৰ্টাৰ ফাইনেলত কিৰণ জৰ্জে জাপানৰ টাকুমা অ'বায়াছিক ২১-১৪, ২১-১৬ পোনপটীয়া গেমত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছিল।

00000

**সমাপ্ত**